# সংজ্ঞানাত্মক বিকাশ তত্ত্বৰ ভিত্তিত ভবেন্দ্ৰ নাথ শইকীয়াৰ চুটিগল্পত কিশোৰী চৰিত্ৰৰ মনস্তাত্ত্বিক বিশ্লেষণ

*শেৱালী গগৈ*


**সাৰাংশ**

অসমীয়া সাহিত্যত গল্পকাৰ হিচাপে ভবেন্দ্ৰ নাথ শইকীয়াৰ এক বিশিষ্ট পৰিচিতি আছে। গুণগত আৰু পৰিমাণগত দুয়ো দিশৰপৰা শইকীয়াৰ গল্পসমূহ লেখত ল'বলগীয়া। ভবেন্দ্ৰ নাথ শইকীয়াৰ গল্পসমূহত সমাজৰ বিভিন্ন বিষয়বস্তুৱে ঠাই পাইছে। ভিন্নসুৰীয়া বিষয়বস্তুৰ সমাৰ্থকভাবে শিশুৰ পৰা বৃদ্ধলৈকে বিভিন্ন শ্ৰেণীৰ চৰিত্ৰও গল্পসমূহৰ মাজত দেখা পোৱা যায়। বৰ্ণনা আৰু বিষয়বস্তুৰ ক্ষেত্ৰত যিদৰে শইকীয়াৰ গল্পসমূহে বিশিষ্ট আয়তন লাভ কৰিছে, একেদৰে সমাজৰ বিভিন্ন শ্ৰেণী চৰিত্ৰৰ মানসিকতাৰ চিত্ৰণো আকৰ্ষণীয় ৰূপত উপস্থাপিত হৈছে। ভবেন্দ্ৰ নাথ শইকীয়াৰ গল্পসমূহত শিশু আৰু কিশোৰ চৰিত্ৰসমূহৰ প্ৰসংগ লক্ষ্য কৰা যায়। নিৰ্দিষ্ট কিছুমান গল্পত কিশোৰী চৰিত্ৰৰ মানসিক অৱস্থাৰ চিত্ৰণে গল্পৰ কাহিনীৰ অগ্ৰগতিত সহায় কৰিছে। কিশোৰী মনস্তত্ত্বপ্ৰধান গল্প হিচাপে ভবেন্দ্ৰ নাথ শইকীয়াৰ 'ৰাজভোগ', 'প্ৰহৰী' আৰু 'মিনতি' গল্পকেইটি বিচাৰ কৰি চোৱাৰ থল আছে। নিৰ্বাচিত গল্পকেইটি সম্পূৰ্ণৰূপে কিশোৰকেন্দ্ৰিক নহয় যদিও গল্পকেইটিৰ কাহিনী বিন্যাসত কিশোৰৰ আচৰণ আৰু কাৰ্য-কলাপসমূহৰ জৰিয়তে কিশোৰ মনস্তত্ত্ব আকৰ্ষণীয় ৰূপত প্ৰতিফলন ঘটোৱা লক্ষ্য কৰা যায়। এনে দিশলৈ লক্ষ্য ৰাখি *সংজ্ঞানাত্মক বিকাশ তত্ত্বৰ ভিত্তিত ভবেন্দ্ৰ নাথ শইকীয়াৰ চুটি গল্পত কিশোৰী মনস্তত্ত্বৰ বিচাৰ* কৰা হ'ব।


**সূচক শব্দ ঃ** সংজ্ঞানাত্মক তত্ত্ব, মনস্তত্ত্ব, কৈশোৰ

**প্ৰস্তাৱনা**

ভবেন্দ্ৰ নাথ শইকীয়াৰ গল্পত কিশোৰী চৰিত্ৰৰ বিচিত্ৰতা লক্ষ্য কৰা যায়। এনে ধৰণৰ নিৰ্বাচিত বিচিত্ৰ চৰিত্ৰৰ মনস্তাত্ত্বিক দিশৰ আলোচনা প্ৰস্তাৱিত অধ্যয়নৰ মূল উদ্দেশ্য। জাঁ পিয়াজে, এলিজাবেথ হাৰ্লক, লুৰেল্লা ক'ল, ইৰমা নেলচন হ'ল আদি বহুকেইজন আলোচকে কৈশোৰ মানসিকতাত কল্পনাপ্ৰৱণতা, সিদ্ধান্ত গ্ৰহণ ক্ষমতা, আত্ম-সচেতন আৰু আত্মকেন্দ্ৰিক মানসিকতাই ক্ৰিয়া কৰাৰ কথা উত্থাপন কৰিছে। উল্লিখিত এনে মানসিক দিশবোৰ শইকীয়াৰ গল্পত দেখা যায় যিবোৰে কৈশোৰ অৱস্থাত বৃদ্ধি পোৱা অপৰাধজনিত সমস্যাৰ কাৰণ আৰু কাৰক উদ্‌ঘাটনত সহায় কৰে। তদুপৰি সাম্প্ৰতিক আন্তঃ বিদ্যায়তনিক



প্ৰেক্ষাপটত অসমীয়া চুটিগল্পত মনস্তাত্ত্বিক আন্তঃ সংযোগী অধ্যয়নৰ প্ৰয়োজনীয়তা স্পষ্ট কৰে। অন্যহাতে অসমীয়া সৃষ্টিশীল ৰচনাত কিশোৰ মনস্তত্ত্বৰ গৱেষণামূলক অধ্যয়নৰ পথো প্ৰশস্ত কৰে।

মনস্তত্ত্ববিদ জাঁ পিয়াজে (Jean Piaget,1926)ৰ 'সংজ্ঞানাত্মক বিকাশ তত্ত্ব'(Cognitive Developmental Theory)[১]ৰ আধাৰত ভবেন্দ্ৰ নাথ শইকীয়াৰ গল্পত কিশোৰ মানসিকতাৰ বিকাশৰ দিশটো আলোচনা কৰা হৈছে। ভবেন্দ্ৰ নাথ শইকীয়াৰ চুটিগল্পসমূহৰ ভিতৰত কিশোৰ চৰিত্ৰই প্ৰাধান্য পোৱা দিশটোলৈ লক্ষ্য ৰাখি 'প্ৰহৰী', 'মিনতি' আৰু 'ৰাজভোগ' নামৰ গল্পকেইটা আলোচনাৰ বাবে নিৰ্বাচন কৰা হৈছে। প্ৰয়োজন সাপেক্ষে আন্তঃ বিদ্যায়তনিক দৃষ্টিভংগী আগত ৰাখি বৰ্ণনাত্মক পদ্ধতিৰে আলোচনা কৰা হৈছে। চৰিত্ৰৰ মনস্তাত্ত্বিক বিশ্লেষণ আলোচনাৰ মূল লক্ষ্য।

**ভবেন্দ্ৰ নাথ শইকীয়াৰ গল্পৰ কিশোৰী চৰিত্ৰ - এক মনস্তাত্ত্বিক বিশ্লেষণ**

মনোবিজ্ঞানৰ ক্ষেত্ৰখনত অধ্যয়নৰ বিভিন্ন ভাগবোৰৰ ভিতৰত কৈশোৰ মনোবিজ্ঞান অন্যতম। কৈশোৰ কালৰ ইংৰাজী প্ৰতিশব্দ হ'ল— 'অ্যাডোলেচেন্ট্' (Adolescent)। কৈশোৰ কাল মানে বয়ঃসন্ধিৰ সময় আৰু কিশোৰ বাবে কিশোৰী মানে কৈশোৰপ্ৰাপ্ত বা যৌৱনত পদাৰ্পণ কৰিবলগীয়া ব্যক্তি (Dasgupta 16)

কৈশোৰ কাল নিৰ্ধাৰণৰ ক্ষেত্ৰত বয়সৰ স্তৰ নিৰ্ণয় কৰাটো প্ৰয়োজনীয়। জন্মৰপৰা দহ এঘাৰ বছৰ পৰ্যন্ত শিশুৰ আচৰণ, কাৰ্য-কলাপলৈ লক্ষ্য ৰাখি শৈশৰ কাল বুলি কোৱা হয়। শৈশৰ কালৰ আচৰণ তথা স্বভাৱ চৰিত্ৰৰ পৰিৱৰ্তন অধিক স্পষ্ট হৈ উঠে এজন ব্যক্তিয়ে যৌৱনকাল লাভ কৰাৰ সময়ছোৱাত । এই সময়ত শাৰীৰিক পৰিৱৰ্তনে শিশুৰ মনোজগতত প্ৰভাৱ বিস্তাৰ কৰে। ইয়াৰ ফলত শৈশৰ কালৰ লক্ষণবোৰৰ ক্ষেত্ৰত বিভিন্ন ধৰণৰ পৰিৱৰ্তন অহা পৰিলক্ষিত হয়। এনে পৰিৱৰ্তিত মানসিকতাই ব্যক্তি বিশেষক শিশুৰপৰা পৃথক কৰি তোলে আৰু ইয়াৰ বাবে এই সুকীয়া লক্ষণসমৃদ্ধ বয়সৰ স্তৰটোক কৈশোৰ কাল হিচাপে আন এটা স্তৰত ভাগ কৰি আলোচনা কৰা হয়। শাৰীৰিক, মানসিক, বৌদ্ধিক বিকাশৰ ভিত্তিত মনোবিজ্ঞানীসকলে কৈশোৰ কালৰ বয়সৰ স্তৰ নিৰ্ধাৰণ কৰিছে। লুৰেল্লা ক'ল আৰু ইৰমা নেলচ্ন হলে মন্তব্য কৰিছে যে, কৈশোৰ শব্দই সেই সময়খিনিক নিৰ্দেশ কৰে যি সময়ত যৌন ইন্দ্ৰিয়বোৰ পৰিপক্ক হৈ পৰাৰ লগে লগে শৰীৰৰ বিভিন্ন দিশৰ পৰিৱৰ্তন হয়। ছোৱালীৰ ক্ষেত্ৰত এই সময়খিনি ছমাহলৈ ব্যাপ্ত হয় আৰু ল'ৰাৰ ক্ষেত্ৰত ই দুবছৰ বা তাতকৈ বেছি হয়। ক'ল আৰু হলে কৈছে যে কৈশোৰ স্তৰত ল'ৰা আৰু ছোৱালী এই দুয়োৰে ক্ষেত্ৰতে বয়সৰ বিভাজন পৃথক হয়। কাৰণ ছোৱালী ল'ৰাতকৈ প্ৰায় দুবছৰ আগতে পৰিপক্ক হয়। লগতে তেওঁলোকে এই কথাও স্পষ্ট কৰিছে যে, মানৰ জীৱনত প্ৰতিটো স্তৰৰে নিজা সমস্যা থাকে আৰু এনে সমস্যাবোৰ নিৰ্দিষ্ট স্তৰটোত প্ৰৱেশ কৰাৰ লগে লগে বিশেষভাবে সক্ষম ব্যক্তিৰ বাহিৰে ব্যক্তি বিশেষে নিজে সমাধান কৰি লয় (Cole 3)। আন এগৰাকী মনস্তত্ত্ববিদ এলিজাবেথ হাৰ্লকৈ একৈশ বছৰ বয়সক পৰিপক্ক হোৱাৰ প্ৰকৃত বয়স আৰু কৈশোৰ কালৰ শেষ স্তৰ হিচাপে ধৰিছে। ক'ল আৰু হ'লৰ দৰে এখেতেও ল'ৰাৰ পৰিপক্কতাৰ সময় ছোৱালীতকৈ পিছত বুলি মতপোষণ কৰিছে (Hurlock 4)।

ফৰাচী চিকিৎসক জাঁ পিয়াজেই গৱেষণামূলক তত্ত্বৰ ভেটিত শিশুৰ চিন্তন সম্পৰ্কীয় মৌলিক তত্ত্ব আগবঢ়ায়। তেখেতে 'সংজ্ঞানাত্মক বিকাশ তত্ত্ব'ৰ জৰিয়তে সামাজিক আৰু ধাৰণাত্মক পৰিৱেশৰ বিভিন্ন

উপাদানৰ লগত হোৱা ক্ৰিয়াৰ যোগেদি শিশু আৰু কিশোৰৰ জ্ঞান আহৰণ আৰু চিন্তাৰ বিকাশ হোৱাৰ কথা আলোচনা কৰিছে। তেখেতে শৈশৰ কাল অতিক্ৰমি কৈশোৰ কালত উপনীত হোৱাৰ পৰ্যায়টোক শিশুৰ সংজ্ঞানাত্মক বিকাশৰ শেষ পৰ্যায় বুলি উল্লেখ কৰিছে। পিয়াজে (Piaget)ৰ সংজ্ঞানাত্মক-বিকাশ তত্ত্ব (CognitiveDevelopmentalTheory) অনুসৰি এঘাৰ বছৰ আৰু তাতকৈ বেছি বয়সৰ সময়খিনি কৈশোৰ কাল। তেখেতে এই পৰ্যায়টোক প্ৰণালীবদ্ধ কাৰ্যশীলতাৰ পৰ্যায় (The Formal Operational Stage) বুলি উল্লেখ কৰিছে। পিয়াজেৰ মতে এঘাৰ বছৰ বয়সৰ সমসাময়িক যৌৱনসুলভ ব্যক্তিসকল প্ৰণালীবদ্ধ কাৰ্যশীলতাৰ পৰ্যায়ত প্ৰৱেশ কৰে। যিটো পৰ্যায়ত তেওঁলোকে স্বতন্ত্ৰ, শৃংখলাবদ্ধ, বিজ্ঞানসন্মত চিন্তাধাৰা কৰিবলৈ আৰম্ভ কৰে। পিয়াজে এই পৰ্যায়ক দুটা ভাগ কৰি দেখুৱাইছে (Berk 253)ঃ কল্পনাভিত্তিত অনুমেয় সন্ধান (Hypothetico-Deductive Reasoning) আৰু প্ৰতিজ্ঞামূলক চিন্তা (Propositional Thought)

ইয়াৰ লগতে তেখেতে কিশোৰৰ সংজ্ঞানাত্মক পৰিৱৰ্তনৰ (Adolescent Cognitive Changes) ফল বা প্ৰভাৱৰ ফলত গঢ় লৈ উঠা মানসিকতা সম্পৰ্কেও উল্লেখ কৰিছে। সেয়া হ'ল—

**ক)** আত্ম-সচেতনতা আৰু আত্মকেন্দ্ৰিকতা (Self-Consciousness and Self-Focusing)

**খ)** আদৰ্শবাদ আৰু সমালোচনা (Idealism and Criticism)

গ) সিদ্ধান্ত গ্ৰহণ (Decision Making)

সংজ্ঞানাত্মক বিকাশ কালৰ উল্লিখিত দিশসমূহ ভবেন্দ্ৰ নাথ শইকীয়াৰ চুটিগল্পত বিচাৰ কৰা হ'ল-

**আত্ম-সচেতন আৰু আত্মকেন্দ্ৰিক মানসিকতা**

কৈশোৰ কালৰ কিশোৰ মানসিকতাৰ অন্যতম বৈশিষ্ট্য হৈছে আত্মসচেতন মানসিকতা। শৈশৰ কাল অতিক্ৰম কৰি কৈশোৰ কালত পদাৰ্পণ কৰাৰ লগে লগে ব্যক্তিৰ শাৰীৰিক বিকাশৰ দিশটো স্পষ্ট হৈ উঠে। শাৰীৰিক বিকাশে কিশোৰৰ মানসিক জগতত প্ৰভাৱ পেলোৱাৰ লগে লগে কিশোৰসকল নিজক লৈ সচেতন হৈ পৰে। কিশোৰৰ এনে সচেতন মানসিকতাৰ প্ৰকাশ ঘটিছে ভবেন্দ্ৰ নাথ শইকীয়াৰ 'বৰ্ণবোধ' নামৰ গল্পটিৰ জয়ন্তী নামৰ চৰিত্ৰটিৰ জৰিয়তে। বয়সৰ লেখেৰে প্ৰায় তেৰ চৈধ্য বছৰ বয়সীয়া জয়ন্তী নামৰ চৰিত্ৰটি কৈশোৰ কালৰ অন্তৰ্গত। বনকৰা ছোৱালী হিচাপে যদিও তাই গৃহস্থৰ কথা মতেই চলা-ফুৰা, পিন্ধা-উৰা কৰিব লগা হয়; তথাপিও শাৰীৰিক পৰিৱৰ্তনৰ সচেতনতাই জয়ন্তীৰ মনত শাৰীৰিক সচেতনতাৰ প্ৰয়োজন আনি দিছে। "ফটা কাপোৰ পিন্ধাত জয়ন্তীৰ কোনো আপত্তি নাই, কিন্তু এই জোখৰ ফ্ৰকবোৰে তাইক বৰ আমনি কৰে। ফ্ৰকবোৰে তাইক ঢাকে, কিন্তু তাইৰ লাজবোৰ নেঢাকে।" জয়ন্তীৰ মানসিকতাত লাজৰ অনুভৱ কিশোৰৰ আত্মসচেতন মানসিকতাৰে পৰিচায়ক। (শইকীয়া, *গহ্বৰ* ১০২)

শৈশৰ কাল অতিক্ৰম কৰি কৈশোৰ কালত উপনীত হোৱাৰ লগে-লগে কিশোৰৰ মানসিকতাৰ পৰিৱৰ্তন হয়। সচৰাচৰ দেখি থকা চাৰিওফালৰ পৰিৱেশ সম্পৰ্কে নিজা ধাৰণা গঢ়ি উঠে, নতুন ধৰণে চাৰিওফালে লক্ষ্য কৰিবলৈ ধৰে। ভবেন্দ্ৰ নাথ শইকীয়াৰ গল্পসমূহৰ ভিতৰত 'প্ৰহৰী' গল্পৰ নিশা, 'বৰ্ণবোধ' গল্পৰ জয়ন্তী আৰু 'ৰাজভোগ' গল্পৰ মালা নামৰ চৰিত্ৰকেইটিৰ মানসিকতাত কৈশোৰ অৱস্থা প্ৰাপ্তিৰ পাছত জীৱন আৰু জগত সম্পৰ্কে নিজা ধাৰণা গঢ়লোৱা পৰিলক্ষিত হৈছে। এনে ধাৰণাৰ ফলতে চাৰিওফালৰ পৃথিৱীখন বৰ্ণময় যেন অনুভৱ কৰা কিশোৰী চৰিত্ৰকেইটিৰ মানসিকতাত দেখা পোৱা গৈছে। 'প্ৰহৰী'



গল্পৰ নিশা নামৰ চৰিত্ৰটিয়ে মাকে দিয়া নতুন গহণাবোৰ পিন্ধাৰ পাছত - "ইমানবিলাক নতুন আভৰণ নিজৰ ভিতৰতে আৱিষ্কাৰ কৰি নিশাই এটা মধুৰ অস্বস্তি অনুভৱ কৰিলে। বাট, স্কুল, ঘৰ আটাই বোৰ তাইৰ নতুন নতুন লাগিল। বাটত তাই কিয় হঠাতে তলমূৰকৈ খোজ কাঢ়িবলৈ ল'লে তাই নিজেই ক'ব নোৱাৰিলে; আৰু মূৰ তুলিলেই যিটো মানুহকে দেখে সেই মানুহটোকে অদ্ভুত যেন লাগে কিয় তাকো ভাবি নাপালে" (*প্ৰহৰী* ১০)। একেদৰেই 'বৰ্ণবোধ' নামৰ গল্পত বনকৰা ছোৱালী জয়ন্তীয়ে বিয়া এখনত গজেন নামৰ ল'ৰা এজনক লগ পাইছে। মালিক-মালিকনীৰ শাসনৰ মাজত আবদ্ধ জয়ন্তীয়ে যেন গজেনৰ মৰমৰ মাজত জীৱনৰ আন এক ৰং বিচাৰি পাইছে। "মই তোক কথা এটা কওঁনে জয়ন্তী" বুলি বিয়াঘৰত গজেনে আগ্ৰহেৰে সোধা কথাযাৰৰ মাজত জয়ন্তীয়ে আশাৰ ৰেঙণি দেখা পাইছে। মালিকনীৰ আদেশ মতে স্বাধীনতাবিহীনভাৱে যাপন কৰিব লগা জীৱনৰ ভৰষা যেন গজেনৰ আবেগপূৰ্ণ কথাযাৰে কঢ়িয়াই আনিছে। সেয়ে বৰ্ণৰ বোধ নথকা জয়ন্তীয়ে জনা এটা আখৰ পষ্টকাৰ্ডখনত লিখিছে - 'ক'। (*গহ্বৰ* ১১১)। জয়ন্তীৰ কিশোৰ মানসিকতা আবেগ যেন এই এটা আখৰৰ মাজেৰে প্ৰকাশ লাভ কৰিছে।

'প্ৰহৰী' নামৰ গল্পত ৰজনী মাষ্টৰ আৰু ভাগ্যৱতীৰ সন্তান হিচাপে নিশা নামৰ চৰিত্ৰটিক উপস্থাপন কৰা হৈছে। নিশা চৰিত্ৰটি জন্মৰ পৰা যৌৱন কালত পদাৰ্পণৰ সময়লৈ বৰ্ণনা কৰা হৈছে যদিও নিশাৰ কৈশোৰ কালছোৱাৰ বৰ্ণনা অধিক সজীৱ হৈ উঠিছে। নিশা চৰিত্ৰটোৰ চিন্তাধাৰাৰ মাজেৰে আত্মসচেতন কিশোৰী মানসিকতাৰ প্ৰতিফলন ঘটা দেখা পোৱা যায়। ঘটনাক্ৰমে বিদ্যালয়ৰ চাকৰি এৰিব লগা হোৱাত ৰজনী মাষ্টৰে ঘৰুৱা শিক্ষাদান কৰি আৰ্থিক অনাটন সমাধা কৰিব পৰা নাছিল। সেয়েহে তেওঁ পাঠদান কৰিবলৈ যোৱা নিশাৰ সমবয়সীয়া জোনালীৰ ঘৰৰ পৰা নিশাৰ বাবে স্নোৰ বটল, কাপোৰকানিৰ লগতে অন্যান্য সামগ্ৰী লৈ আহিছিল। জোনালীৰ ঘৰৰ মানুহেও নিশাক প্ৰয়োজনীয় বিভিন্ন ধৰণৰ বস্তু দি সহায় কৰিছিল। কিন্তু লাহে লাহে নিশাহঁতৰ দৰিদ্ৰতাৰ বাবে জোনালীৰ ঘৰৰ সহানুভূতি অসহ্য হৈ পৰে। দিনে দিনে বাঢ়ি অহা জোনালীৰ গালৰ সেন্দুৰীয়া ৰং দেখি নিশা ঈৰ্ষাপ্ৰৱণ হৈ উঠে। সকলোৰে মাজত নিজকে আকৰ্ষণীয় কৰি তুলিবৰ বাবে তাই নিজকে সজাই তুলিবলৈ ব্যস্ত হৈ পাৰে। নিশাৰ মনৰ আত্মকেন্দ্ৰিক আৰু আত্মসচেতন মানসিকতা সমূহৰ মাজত নিজক আকৰ্ষণীয় কৰি তুলিব বিচৰা কিশোৰ মানসিকতাৰ প্ৰতিফলন ঘটাইছে। তদুপৰি এনে মানসিকতাই কিশোৰ মনত সৃষ্টি কৰা ঈৰ্ষাপ্ৰৱণ মানসিকতাও নিশা চৰিত্ৰটিৰ মনোজগতৰ মাজেৰে স্পষ্ট হৈ উঠিছে। এনেধৰণৰ মানসিকতা গঢ় লোৱাত বিপৰীত লিংগৰ প্ৰতি আকৰ্ষণৰ দিশটোও সাঙোৰ খাই আছে। চুবুৰীয়া মৃণাল নামৰ ল'ৰাজনৰ আগত নিজকে সুন্দৰ ৰূপত তুলি ধৰিবৰ বাবে, মৃণালৰ মনোযোগ আকৰ্ষণ কৰিবৰ বাবে নিশাই নিজক আকৰ্ষণীয় ৰূপত তুলি ধৰাৰ যত্ন কৰা দেখা পোৱা গৈছে। কিন্তু মৃণালে নিশাৰ সলনি জোনালীকহে অধিক আগ্ৰহেৰে গ্ৰহণ কৰে। সমবয়সীয়া এগৰাকী কিশোৰীৰ বাবে নিশাই নিজৰ গুৰুত্ব বজাই ৰাখিব নোৱৰাত তাইৰ আত্মসন্মানত আঘাত লাগিছে। আৰু তাই জোনালীৰ প্ৰতি ঈৰ্ষাপ্ৰৱণ হৈ উঠিছে (*প্ৰহৰী* ১০-১৪) । এনে আত্মসচেতন আৰু আত্মকেন্দ্ৰিক মানসিকতাই চৰিত্ৰটিৰ মনত আত্মতৃপ্তি সৃষ্টি কৰাৰ লগতে স্বাভিমান আৰু হীনমন্যতাৰো সৃষ্টি কৰিছে। একেটা গল্পতে বিপৰীত লিংগৰ বা আকাংক্ষিত ব্যক্তিৰ স্পৰ্শই কিশোৰৰ মনত পুলক সৃষ্টি কৰা আৰু চিন্তাশীল কৰি তোলাৰ মানসিকতা দেখা পোৱা গৈছে। নিশাৰ চকুত কিবা এটা সোমোৱাত দিবাকৰে

উলিয়াই দিবলৈ চেষ্টা কৰিছিল। “দিবাকৰ গুচি যোৱাৰ পাছত প্ৰথমতে তাইৰ চকুটো, তাৰ পিচত তাইৰ গোটেই গাটো যেন পুৰিছিল। দিবাকৰ গুচি যোৱাৰ পিচত গালৰ ঠিক সেইখিনিতে নিজৰ আঙুলিকেইটা থৈ তাই মনত পেলাবলৈ চেষ্টা কৰিছিল কিমান পৰ দিবাকৰে এইখিনি চুই আছিল। চকুটো চোৰা হোৱাৰ লগে লগে হাতখন সি আঁতৰাই নিছিল নেকি? নহয়; প্ৰয়োজনতকৈ অকণমান সময় বেছি চুই আছিল নিশ্চয়” (১৪, ১৫)। নিশাৰ চিন্তাধাৰাৰ মাজত কিশোৰ মনৰ দিবাস্বপ্ন প্ৰৱণতাৰো ইংগিত পোৱা যায়। কিশোৰীৰ চিন্তাজগতৰ এনেধৰণৰ দিবাস্বপ্ন প্ৰৱণ মানসিকতা ‘ৰাজভোগ’ নামৰ গল্পৰ মালা নামৰ কিশোৰী চৰিত্ৰটিৰ মাজতো প্ৰতিফলন ঘটিছে। যৌৱনকালত ভৰি দিয়া নিশাই চুবুৰীয়া অভিজাত পৰিয়াল এটাৰ সমবয়সীয়া কিশোৰী মৃণালিনীৰ ৰেহ-ৰূপ লুকাই লুকাই নিৰীক্ষণ কৰি আত্মতৃপ্তি লাভ কৰিছে। দেউতাকৰ চকুত পৰাকৈ তাই মুকলি মনে মৃণালিনীহঁতৰ দৰে ঘূৰি-ফুৰিব নোৱাৰে সেয়েহে ঘৰৰ ভিতৰত বেৰৰ কাষত বৈ ‘বেৰখনত নাকটো লগাওঁ লগাওঁকৈ ঘণ্টাৰ পাছত ঘণ্টা থিয় দি থাকিবলৈ তাই ভাল পায়’ (*সান্ধ্য ভ্ৰমণ* ৬৩)।

**সিদ্ধান্ত গ্ৰহণ ক্ষমতা**

সমাজ মানসিকতা, মাক-দেউতাকৰ অনুশাসনে কৈশোৰ কালছোৱাত ইতিবাচক আৰু নেতিবাচক দুই ধৰণৰ প্ৰভাৱ পেলাব পাৰে। ‘প্ৰহৰী’ গল্পৰ নিশা চৰিত্ৰটিৰ মাজত এফালে সমাজ মানসিকতা আৰু মাক-দেউতাকৰ অনুশাসন আনফালে নিজা আবেগিক প্ৰয়োজন- এই দুয়ো ক্ষেত্ৰৰ মাজত মানসিক দ্বন্দ্ব সৃষ্টি হোৱা দেখা পোৱা গৈছে। নিজা সিদ্ধান্ত গ্ৰহণ ক্ষমতাৰে নিশাই দিবাকৰৰ পৰা আতৰি অহাৰ সিদ্ধান্ত কৰিছে যদিও প্ৰবল মানসিক অন্তৰ্দ্বন্দ্বত চৰিত্ৰটি প্ৰতিবাদহীন ভাবে নিৰব হৈ পৰিছে। শেষত সাধাৰণ ৰোগ এটাতে নিশাৰ মৃত্যু হোৱা ঘটনাৰ আঁৰত যেন মানসিক দুৰ্বলতাই স্বাস্থ্যৰ অৱনতিৰ কাৰণ হৈ পৰিছে (*প্ৰহৰী* ১৯)।

**কল্পনাভিত্তিক অনুমান কাৰ্য**

কিশোৰৰ মানসিকতাত বিচিত্ৰ কল্পনা ক্ষমতাই কোনো ঘটনাৰ কাৰ্য-কাৰণৰ অনুমানভিত্তিক সিদ্ধান্ত সৃষ্টি কৰে। কিশোৰৰ এনেধৰণৰ মানসিকতা গঢ় লৈ উঠাত চৌপাশৰ পৰিৱেশে ক্ৰিয়া কৰে। ‘ৰাজভোগ’ নামৰ গল্পৰ কাহিনী অনুসৰি শাৰীৰিক অপকৰ্মত লিপ্ত হৈ মালাৰ মাক আৰু বায়েক পশ্চিমৰ চহৰলৈ গুচি গৈছিল। মালাৰ দেউতাক দৰ্জি লোকনাথে সেয়েহে সকলোকে অবিশ্বাস কৰি বিদ্যালয়ৰ পৰা মালাক এৰুৱাই আনিলে আৰু চাৰিবেৰাৰ মাজত আবদ্ধ কৰি ৰাখিলে। সমবয়সীয়া মৃণালিনী, লক্ষ্মীহঁতৰ লগত মালাৰ কথা পাতিবৰ ইচ্ছা হয়; কিন্তু সিহঁতে তাইক লগ দিব নিবিচাৰে। সেয়ে মালাই নিৰবে সিহঁতৰ কাৰ্য-কলাপ লক্ষ্য কৰি আত্মতৃপ্তি লাভ কৰে। কিশোৰ মানসিকতাৰ প্ৰবল ঔৎসুক্য মালা চৰিত্ৰটিৰ মাজত স্পষ্ট হৈ উঠিছে। চাৰিবেৰাৰ মাজত আবদ্ধ হৈ থকা মালাই তাইৰ বয়সত কৰিব পৰা কাম সম্পৰ্কে কল্পনাৰ আবেশত বুৰ গৈ থাকে। চুবুৰীয়া মৃণালিনীৰ ঘৰলৈ সঘনে এটা ল’ৰা অহা তাই দেখিছে। এদিন মৃণালিনীৰ মাক দেউতাকৰ অনুপস্থিতিত সিহঁতৰ ঘৰলৈ অহা ল’ৰাটোৱে মৃণালিনীৰ স’তে অকলশৰে ঘৰৰ ভিতৰত কি কৰি আছে, সেই বিষয়ে প্ৰবল কৌতুহলেৰে মালাই অনেক কল্পনা কৰি পেলাইছে। এই কল্পনাৰ তীব্ৰতাৰ বাবে অনেক মনে সজা ঘটনাৰ অনুমান কৰি তাই মৃণালিনীৰ স’তে ল’ৰাজনক কি ৰূপত দেখিব সেই কথা



কল্পনা কৰি মৃণালিনীৰ ঘৰত মনে মনে সোমাব খুজিছে। “লাহে লাহে মালাৰ গাত যেন তেজৰ এটা নতুন সোঁত ববলৈ ধৰিলে। তাই মৃণালিনীহঁতৰ ঘৰৰ ভিতৰখন অলপ অলপ দেখিছে; এতিয়া তাই কেৱল এটা কোঠালিৰ ছবি মনৰ আগত পৰিষ্কাৰ কৰিবলৈ চেষ্টা কৰিলে।... মালাৰ কপাল আৰু ওঁঠত বিন্দু-বিন্দু ঘামে দেখা দিলে” (*সান্ধ্য ভ্ৰমণ* ৬৭)। মালাই কাল্পনিক অনুমানৰ ভিত্তিত উত্তেজিত হৈ মৃণালিনীৰ ঘৰলৈ যোৱাৰ পাছত “মৃণালিনী ঘৰত নাই বুলি বিশ্বাস কৰাৰ পাছত মালাৰ সকলো চাঞ্চল্য আৰু উত্তেজনা যেন তাইৰ মুখখনত থূপ খালে” (৭০)। ইমান দিনে ঘৰৰ ভিতৰত আবদ্ধ মালা যেন মৃণালিনীহঁতৰ দৰেই স্বাধীনমনা হৈ পৰিল। অচিনাকি ল’ৰাজনৰ লগত কথা-পাতি থকাৰ মাজতে ল’ৰাজনে মালাৰ কাষলৈ আহি তাইৰ হাতখন দুই হাতেৰে মুঠি মাৰি ধৰাৰ পাছত “ভয়, বিস্ময় আৰু উত্তেজনাত তাই কেইমুহূৰ্তমান নিৰ্বাক-নিস্পন্দ হৈ থাকিল। এটা অস্ফুট চিঞৰ মাৰি মালা দৌৰ মাৰি কোঠালিটোৰ পৰা ওলাই গ’ল।... এটা তৃপ্তিৰ পাতল হাঁহি তাইৰ ওঁঠ দুখনত বাগৰি ফুৰিবলৈ ধৰিলে” (৭১)। কিশোৰ মনৰ কল্পনাৰ জৰিয়তে অনুমান কৰিব খোজা মানসিকতাই অপৰাধপ্ৰৱণতা বা কোনো কাৰ্যৰ নেতিবাচক পৰিণতি ঘটোৱাৰ দিশটো মালাৰ মানসিক কল্পনাৰ অনুমান ভিত্তিক ঘটনাৰ পৰিণতিয়ে স্পষ্ট কৰি তোলে।

**উপসংহাৰ**

ভবেন্দ্ৰ নাথ শইকীয়াৰ গল্পসমূহৰ ভিতৰত ‘প্ৰহৰী’ গল্পৰ নিশা, ‘বৰ্ণবোধ’ গল্পৰ জয়ন্তী আৰু ‘ৰাজভোগ’ গল্পৰ মালা নামৰ চৰিত্ৰকেইটিৰ মানসিকতাৰ অধ্যয়নৰ জৰিয়তে গল্পত কৈশোৰ মনস্তত্ত্বৰ সন্ধান কৰা হৈছে। উল্লিখিত কিশোৰী চৰিত্ৰসমূহৰ মাজত কৈশোৰ অৱস্থা প্ৰাপ্তিৰ পাছত জীৱন আৰু জগত সম্পৰ্কে নিজা ধাৰণা গঢ় লোৱা পৰিলক্ষিত হৈছে। এনে ধাৰণাৰ ফলতে চাৰিওফালৰ পৃথিৱীখন বৰ্ণময় যেন অনুভৱ কৰা কিশোৰী চৰিত্ৰ দেখা পোৱা গৈছে। মালা নামৰ কিশোৰী চৰিত্ৰটিৰ মানসিকতাত ঔৎসুক্যৰ তীব্ৰতাৰ ফলত বিপৰীত লিংগৰ প্ৰতি মানসিক আৰু শাৰীৰিক আকৰ্ষণ সৃষ্টি হোৱা আৰু শাৰীৰিক আকৰ্ষণৰ মাজত বিস্ময় আৰু উত্তেজনা লাভ কৰাৰ মানসিকতা, নিশা নামৰ চৰিত্ৰটিৰ মাজত আত্মসচেতন মানসিকতা দেখা গ’ল। তদুপৰি আত্মসচেতন মানসিকতাই চৰিত্ৰটিৰ মনত আত্মতৃপ্তি, স্বাভিমান আৰু হীনমন্যতাৰ সৃষ্টি কৰা দেখা গ’ল। কিশোৰৰ মানসিক, আবেগিক তথা শাৰীৰিক অভিব্যক্তিক অনুধাৱন কৰি বন্ধুত্বসুলভ মনোভাবেৰে তেওঁলোকৰ চিন্তাক গুৰুত্ব দি সঠিক দিশ নিৰ্ণয় কৰাত অভিভাৱক তথা পৰিয়াল আৰু পৰিৱেশৰ গুৰুত্ব এই আলোচনাই স্পষ্ট কৰি তোলে। আলোচ্য দিশসমূহৰ উপৰিও কৈশোৰ কালছোৱাত বীৰ পূজাৰ প্ৰৱণতা, আদৰ্শ আৰু সমালোচনাৰ মনোভাৱ, সমাজ সচেতনতা, জাতীয়তাবোধ আদিয়েও কিশোৰ বা কিশোৰীৰ মনত সততে ক্ৰিয়া কৰা দেখা যায়। কিন্তু আলোচ্য গল্পৰ কিশোৰী চৰিত্ৰ কেইটিৰ মাজত এনে মানসিকতাৰ প্ৰকাশ অৱৰ্তমান। কিশোৰী চৰিত্ৰসমূহৰ মনত শাৰীৰিক সচেতনতা আৰু আকাংক্ষা, লগতে ‘মৰমৰ দেউতা’ আৰু ‘অন্তৰীপ’ উপন্যাসৰ ক্ৰমে বিপুল আৰু ইন্দ্ৰৰ দৰে চৰিত্ৰৰ মানসিক অন্তৰ্দ্বন্দ্ব আদিৰ বাস্তৱসন্মত প্ৰকাশ লক্ষ্য কৰা যায় যদিও কিশোৰ মনৰ বিচিত্ৰানুভূতিক সামৰি লোৱাত ভবেন্দ্ৰ নাথ শইকীয়াৰ কৈশোৰ কেন্দ্ৰিক উপস্থাপনৰ সীমাবদ্ধতা নুই কৰিব নোৱাৰি। অসমীয়া গল্প-সাহিত্যৰ ক্ষেত্ৰখনত কিশোৰ চৰিত্ৰ সততে দেখা পোৱা যায়। বেজবৰুৱাৰ ‘মুক্তি’, ‘পাতমুগী’, হলীৰাম ডেকাৰ ‘দ্বিতীয় পক্ষ’, মামণি ৰয়চম গোস্বামীৰ ‘ৰিণিকি ৰিণিকি দেখিছোঁ যমুনা’ অণিমা দত্তৰ ‘উত্তৰণ’, আদি গল্পত কিশোৰ মন

চিত্ৰায়ণ কৰা হৈছে। বয়সৰ লেখেৰে এনে বহু কিশোৰী চৰিত্ৰ অসমীয়া উপন্যাসত দেখা পোৱা যায় যদিও প্ৰায়বোৰ চৰিত্ৰৰে মানসিক দিশৰ বৰ্ণনাৰ মাজত নাৰী মনস্তত্ত্ব বিচাৰৰহে অধিক সম্ভাৱনা দেখা পোৱা যায়। এনে দৃষ্টিৰে অসমীয়া কিশোৰ কেন্দ্ৰিক গল্পৰ পৃষ্ঠভূমিত ভবেন্দ্ৰ নাথ শইকীয়াৰ গল্পক উমৈহতীয়া বৈশিষ্ট্য আৰু সুকীয়া আয়তন দান কৰে। সামগ্ৰিকভাবে ভবেন্দ্ৰ নাথ শইকীয়াই গল্পত চৰিত্ৰৰ মনস্তাত্ত্বিক অৱস্থাৰ সাৰ্থক ৰূপায়ণ কৰা দিশটোৱে অসমীয়া সাহিত্যত মনস্তাত্ত্বিক আন্তসংযোগী দিশৰ অধ্যয়নৰ ভৱিষ্যত সম্ভাৱনাকে বহন কৰে।

**প্ৰসঙ্গ সূত্ৰ**

১। ১৯২০ চনত পিয়াজে গৱেষণামূলক তত্ত্বৰ ভেটিত শিশুৰ চিন্তন সম্পৰ্কীয় মৌলিক তত্ত্ব আগবঢ়াইছিল। তেওঁৰ মতে শিশুৱে ভৌতিক, সামাজিক আৰু ধাৰণাত্মক পৰিৱেশৰ বিভিন্ন উপাদানৰ লগত হোৱা ক্ৰিয়া (Action) আৰু সংক্ৰিয়া বা ক্ৰিয়া সম্পাদন (Operation)ৰ যোগদি জ্ঞান আহৰণ কৰে তথা চিন্তনৰ বিকাশ সাধন কৰে। পিয়াজে চিন্তনৰ বিকাশ সম্পৰ্কীয় এই তত্ত্বকে 'সংজ্ঞানাত্মক বিকাশ তত্ত্ব' বুলি জনা যায়। (শইকীয়া *শিশু মনোবিজ্ঞান আৰু শিশু নিৰ্দেশনা* ৪১)

**প্ৰাসংগিক টীকা**


শইকীয়া, তৰুণ, আদি. *শিশু মনোবিজ্ঞান আৰু শিশু নিৰ্দেশনা.* বিদ্যা ভৱন যোৰহাট. ২০১৪.

শইকীয়া, ভবেন্দ্ৰ নাথ. *গহ্বৰ.* জ্যোতি প্ৰকাশন গুৱাহাটী. ২০১৪.

--*প্ৰহৰী.* জ্যোতি প্ৰকাশন গুৱাহাটী. ২০০৬.

--*সান্ধ্য ভ্ৰমণ.* জ্যোতি প্ৰকাশন, ২০১০.

Berk, Laura E. *Child Development*Berk(9th ed.).PHI Learning Private Limited Delhi. 2014.

Cole, Luella and Irma Nelson Hall. *Psychology of Adolescence* (5th ed.). Rinehart and Winston New York.6th P. 1963.

Crow, Lester D. and Alice Crow, *An Outline of General Psychology*. Littlefield, Adams & co. New Jersey 1968.

Hurlock, Elizabeth B. *Adolescent Development* (2nd ed.). McGraw-Hill Book Company New York. 1955.

Piaget, Jean. *The Language and Thought of the Child*(3rd ed.). London Routledge Classics London. 2002.

*Samsad English-Bengali Dictionary*(5th ed.), edited by Birendramohan Dasgupta. Shishu Sahitya Samsad Kolkata. 2002.